Total No. of Printed Pages—11

**B21–AS**

**Subject Code : 01**

222641

**2021**

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP—A** (বিভাগ—ক) আৰু **GROUP—B** (বিভাগ—খ)-ৰ উত্তৰ কৰিব লাগিব।

অথবা

**GROUP—A** (বিভাগ—ক) আৰু **GROUP—C** (বিভাগ—গ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।



www.bellalhossainmondal.com

## GROUP—A

### ( বিভাগ—ক )

( *মূল্যাংক : ৭৫* )

১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) কলেজীয়া সময়ৰ পৰাই ডিম্বেশ্বৰ নেওগে কোনখন আলোচনীত প্ৰবন্ধ আৰু কবিতা প্ৰকাশ কৰে?

(খ) সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক বেছি স্থায়ী বোলা হৈছে?

২। চমু উত্তৰ লিখা : ২×২=৪

(ক) "এইখিনি কাম তেওঁলোকৰ কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন।" কোনখিনি কাম তেওঁলোকৰ (ছাত্ৰ-ছাত্ৰীসকলৰ) কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ, বুজাই লিখা।

(খ) ভাৰতৰ বুৰঞ্জীত কেনেকৈ স্থানীয় আৰু বহিৰাগতৰ মাজত এটা সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছিল, চমুকৈ লিখা।

৩। "সংস্কৃতি হৈছে কোনো এটা জাতিৰ বা সমাজ এখনৰ জীৱন প্ৰতিভা।" লেখকে সংস্কৃতিক জাতিৰ বা সমাজ এখনৰ জীৱন প্ৰতিভা বুলি কিদৰে ক'ব বিচাৰিছে, বুজাই লিখা। ৩

৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) "ছাত্ৰসকল দেশৰ ভৱিষ্যৎ, আশা-ভৰসাৰ কলি।" কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) উত্তৰ ভাৰতীয় ভাস্কৰ্যৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ সহায়ত লিখা।

৫। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) কুঁৱলীৰ অন্তৰংগ বান্ধৱীগৰাকীৰ নাম কি?

(খ) কুঁৱলীক দেউতাকে কিয় কম্পিউটাৰটো উপহাৰ স্বৰূপে দিছিল?



www.bellalhossainmondal.com

৬। চমু উত্তৰ লিখা : ২

ভাইৰাচ কি?

৭। চমু উত্তৰ লিখা : ২×২=৪

(ক) ইণ্টাৰনেটৰ সহায়ত কুঁৱলীয়ে কি কি নতুন অভিজ্ঞতা আহৰণ কৰিলে?

(খ) "কুঁৱলীয়ে হাঁহি হাঁহি মাক-দেউতাকৰ সমস্যাৰ নিমিষতে সমাধানৰ পথ প্ৰশস্ত কৰিলে।" মাক-দেউতাকৰ কি কি সমস্যা কুঁৱলীয়ে নিমিষতে সমাধান কৰিছিল?

৮। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ জীৱনত কেনে প্ৰভাৱ পেলাব পাৰে, পাঠটোৰ আধাৰত বুজাই লিখা।

(খ) "এটা কথাই কুঁৱলীৰ মনত শংকাৰ সৃষ্টি কৰিলে।" কি কথাই কুঁৱলীৰ মনত শংকাৰ সৃষ্টি কৰিছিল পাঠৰ সহায়ত বুজাই লিখা।

৯। তলৰ যি কোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত বৰগীতটি কোনে ৰচনা কৰা?

(খ) জিকিৰৰ ৰচক কোন?

১০। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা : ২

(ক) বৰগীতৰ দুটা লক্ষণ উল্লেখ কৰা।

(খ) আজান ফকিৰৰ কবি-পৰিচয় লিখা।



www.bellalhossainmondal.com

১১। (ক) তোমাৰ পাঠ্যপুথিত থকা বৰগীতটিৰ মূলভাব লিখা। ৩

*নাইবা*

(খ) সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি॥

কবিতাফাকিৰ অন্তৰ্নিহিত ভাবটি বিশ্লেষণ কৰা।

১২। তলৰ **যি কোনো এছোৱা** ব্যাখ্যা কৰা : ৪

(ক) আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে॥

(খ) মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট॥

১৩। চৈয়দ আব্দুল মালিকৰ একমাত্র কবিতা পুথিখনৰ নাম লিখা। ১

১৪। "অসমৰ হেংদাং জিলিকিল
দুপৰৰ পূৰ্ণ আলোকত"

কথাখিনিৰ তাৎপৰ্য ব্যাখ্যা কৰা। ৩

১৫। 'মই অসমীয়া' কবিতাটোত অসমৰ অতীত গৌৰৱৰ চানেকি কিদৰে ফুটি উঠিছে, বুজাই লিখা। ৪

১৬। (ক) তলৰ **যি কোনো এটা** শব্দৰ সন্ধি ভাঙা : ১

উমানন্দ ; মহোৎসৱ ; সমন্বয়।

(খ) তলৰ **যি কোনো এটাৰ** ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১

গুৰুশিষ্য ; পঞ্চনদ ; খেতিপথাৰ।



www.bellalhossainmondal.com

(গ) তলত দিয়া যি কোনো এটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

কণ্টক ; প্ৰণাম ; বৃষ।

(ঘ) যথাস্থানত যতি চিহ্ন বহুওৱা : ১

ৰীতাই কলে মই কিতাপ পঢ়ো

(ঙ) তলৰ যি কোনো এটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

হ্ৰাস ; উৎকৃষ্ট ; অতিবৃষ্টি।

(চ) এটা শব্দত প্ৰকাশ কৰা (যি কোনো এটা) : ১

যি কোনো পক্ষ নলয় ; যাৰ দয়া-মমতা নাই ; যি কথা কোৱা উচিত নহয়।

(ছ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা : ২

যিজন সৎ তেওঁক ঈশ্বৰে দয়া কৰে।

(জ) তলৰ যি কোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা : ২

পানীৰ তলৰ কাঁইট ; চকু ৰোৱা ; বাট কুৰি বা।

১৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা :

কথাত কটা যায়, কথাত বঁটা পায়।

(খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পুথিভঁৰালৰ অভাৱৰ বাবে কেনেধৰণৰ অসুবিধা হৈছে তাক জনাই তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি ছাত্ৰ একতা সভাৰ সম্পাদক / সম্পাদিকা হিচাপে এখন আবেদন লিখা।

(আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) বানপানীৰ বাবে তোমাৰ অঞ্চলৰ বিদ্যালয়সমূহৰ ঘৰ-দুৱাৰ, ডেস্ক-বেঞ্চ, খেলপথাৰ আদি নষ্ট হোৱাত সেইবোৰৰ তৎকালীন মেৰামতিৰ বাবে শিক্ষা বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰিকাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।



www.bellalhossainmondal.com

১৮। তলত দিয়া **যি কোনো এটা** বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) অসমৰ প্ৰাকৃতিক সম্পদ

(আৰম্ভণি—সম্পদৰাজিৰ বিৱৰণ—ৰক্ষণাবেক্ষণৰ ব্যৱস্থা—সামৰণি)

(খ) তুমি ভালপোৱা এখনি গ্ৰন্থ

(আৰম্ভণি—গ্ৰন্থ পৰিচয় আৰু বিষয়বস্তু—ভাল লগাৰ কাৰণ—সামৰণি)

(গ) ছাত্ৰ-ছাত্ৰী আৰু সমাজসেৱা

(আৰম্ভণি—সমাজসেৱাৰ আৰশ্যকতা—ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব—সামৰণি)

১৯। 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ চমু পৰিচয় দিয়া। ৩×২=৬

২০। তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমু টোকা লিখা। ২×২=৪

www.bellalhossainmondal.com



www.bellalhossainmondal.com

## GROUP—B

( বিভাগ—খ )

( *মূল্যাংক* : ২৫ )

২১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) শ্ৰীধান্যকটক বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক কোন আছিল ?

(খ) মৌৰ্য বংশীয় ৰজা চন্দ্ৰগুপ্তৰ ব্ৰাহ্মণ মন্ত্ৰীজনৰ নাম কি আছিল ?

২২। চমু উত্তৰ লিখা : ২×২=৪

(ক) প্ৰাচীন ভাৰতৰ চাৰিখন বিশ্ববিদ্যালয়ৰ নাম লিখা।

(খ) নালন্দা বিশ্ববিদ্যালয়ত কোনো খৰচ নোলোৱাকৈ কি কি বিষয়ত শিক্ষাদান কৰিছিল ?

২৩। উত্তৰ লিখা : ৩

(ক) আৰ্যশিক্ষাৰ কলাবিদ্যা কিমানটা ? প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আৰ্য শিক্ষাৰ কলাবিদ্যা কোন কোন বিভাগত দিয়াৰ ব্যৱস্থা আছিল ?

*নাইবা*

(খ) আজিকালিৰ শিক্ষাৰ লগত প্ৰাচীনকালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যৰ কথা বহলাই আলোচনা কৰা।

২৪। তলৰ যি কোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) কপিল মুনিৰ মাতৃ কোন আছিল ?

(খ) দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই কি ৰূপ ধাৰণ কৰিছিল ?

২৫। "তথাপি তোহাক দেখন্তে ডৰত
উৰি যায় মোৰ জীউ।"

এইষাৰ কাৰ উক্তি ? কাক দেখি, কিয় তেওঁৰ ভয়তে জীউ উৰি যায়, বুজাই লিখা। ২



www.bellalhossainmondal.com

২৬। তলত দিয়া প্ৰশ্নৰ উত্তৰ লিখা : ৩×২=৬

(ক) কৃষ্ণই বিভিন্ন সময়ত কি কি অৱতাৰ ধাৰণ কৰি কেনে কাৰ্য সাধন কৰিছিল, পাঠৰ আলমত বৰ্ণনা কৰা।

(খ) “আন কাল যদি দোষ দেখা মোৰ
পাৰিবাহা মোক গালি॥”

কোনে, কাক উদ্দেশ্য কৰি এইদৰে কৈছে, বুজাই লিখা।

২৭। (ক) তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

মই যোৱা কালি বজাৰলৈ গৈছিলোঁ।

(খ) তলত দিয়া শব্দ দুটাৰ একোটাকৈ সমাৰ্থক শব্দ লিখা : ১

ঐশ্বৰ্য ; চৰাই।

(গ) তলত দিয়া শব্দ দুটাৰ বিপৰীত লিঙ্গ লিখা : ১×২=২

দেওৰ ; সুন্দৰী।

(ঘ) তলত দিয়া যি কোনো তিনিটা শব্দৰ আধুনিক ৰূপ লিখা : ১×৩=৩

সুমৰন্তে ; বিগুটিয়া ; তাৱক্ষণে ; নটুৱা।

www.bellalhossainmondal.com



www.bellalhossainmondal.com

## GROUP—C

( বিভাগ—গ )

( মূল্যাংক : ২৫ )

1. Translate ***any one*** of the following in your mother language : 4

তলৰ যি কোনো এটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা :

(a) असमराज्यस्य विभिन्नजनगोष्ठीनां नृत्यानामपि वयं प्रदर्शनं कुर्यामः। तर्हि बहिराज्येभ्यः आगतेभ्यः विद्यार्थिनः असमराज्यस्य संस्कृति ज्ञातुं शक्नुवन्ति।

(b) ग्रन्थागारे सहस्रं पुस्तकानि सन्ति। सौरजगति अष्ट ग्रहाः सन्ति। मम पञ्चदश पुस्तकानि अस्ति। राघवस्य अशीतिः मुद्रा अस्ति।

(c) सत्येन लोकं जयति दानैर्जयति दीनताम्।
गुरून् शुश्रूषया जीयाद्धनुषा एव शात्रवान्॥

2. Answer ***any one*** of the following : 2

তলৰ যি কোনো এটাৰ উত্তৰ লিখা :

(a) Write a verse from your textbook showing the glory of विद्या.

তোমাৰ পাঠ্যপুথিৰ পৰা বিদ্যাৰ মহত্ত্ব প্ৰকাশ কৰা শ্লোক এফাঁকি লিখা।

(b) Write the names of any four Sanskrit books which mention morals (नीतिशिक्षा) and noble speeches (सुभाषितम्).

নীতিশিক্ষা আৰু সুভাষিত উল্লেখ থকা যি কোনো চাৰিখন সংস্কৃত গ্ৰন্থৰ নাম লিখা।

3. Fill in the blanks with appropriate words (***any three***) : 1×3=3

উপযুক্ত শব্দেৰে খালী ঠাই পূৰ কৰা (যি কোনো তিনিটা) :

(a) हरिणः _____ बिभेति। (व्याघ्रः)

(b) _____ पत्रं पतति। (वृक्षः)

(c) रामः _____ पुत्र। (दशरथः)

(d) मुनिवरः _____ वसति। (कुटिरः)

(e) शिक्षकाः _____ पाठयन्ति। (विद्यालयः)



www.bellalhossainmondal.com

4. Determine the genders of ***any three*** of the following words : 1×3=3

তলৰ শব্দবোৰৰ যি কোনো তিনিটাৰ লিঙ্গ নিৰ্ধাৰণ কৰা :

द्वौ ; विंशतयः ; चत्वारिंशत् ; प्रथमम् ; षोडशी।

***Or / নাইবা***

Write the Sanskrit synonyms of ***any three*** of the following words : 1×3=3

তলৰ শব্দবোৰৰ যি কোনো তিনিটাৰ সংস্কৃত প্ৰতিশব্দ লিখা :

वार्त्ता ; महती ; गीतम् ; चित्राणि ; प्रदर्शनम्।

5. Match the following words of Group–A with the words of Group–B : 1×3=3

তলত দিয়া অংশ—ক-ৰ লগত অংশ—খ-ৰ শব্দবোৰ মিলোৱা :

| **Group—A / অংশ—ক** | **Group—B / অংশ—খ** |
|---|---|
| प्रथमा | स्थानम् |
| त्रिंशत्तमम् | मानवाः |
| त्रयः | कन्या |

6. *(a)* Derive ***any two*** of the following words : 1½×2=3

তলৰ যি কোনো দুটা পদৰ ব্যুৎপত্তি লিখা :

*(i)* 'कुर्यामः' in Q. No. **1** *(a)*

**1** নং *(a)* প্ৰশ্নত 'कुर्यामः'

*(ii)* 'शक्नुवन्ति' in Q. No. **1** *(a)*

**1** নং *(a)* প্ৰশ্নত 'शक्नुवन्ति'

*(iii)* 'सन्ति' in Q. No. **1** *(b)*

**1** নং *(b)* প্ৰশ্নত 'सन्ति'

*(iv)* 'जयति' in Q. No. **1** *(c)*

**1** নং *(c)* প্ৰশ্নত 'जयति'



www.bellalhossainmondal.com

(b) Decline ***any four*** of the following : 1×4=4
তলৰ যি কোনো চাৰিটাৰ শব্দৰূপ লিখা :

(i) 'पितृ' in 4th case-ending plural
'पितृ' চতুৰ্থী বিভক্তিৰ বহুবচনত

(ii) 'सखि' in 2nd case-ending plural
'सखि' দ্বিতীয়া বিভক্তিৰ বহুবচনত

(iii) 'गो' in 5th case-ending dual
'गो' পঞ্চমী বিভক্তিৰ দ্বিবচনত

(iv) 'राजन्' in 1st case-ending singular
'राजन्' প্ৰথমা বিভক্তিৰ একবচনত

(v) 'अस्मद्' in 3rd case-ending singular
'अस्मद्' তৃতীয়া বিভক্তিৰ একবচনত

(vi) 'सखि' in 6th case-ending dual
'सखि' ষষ্ঠী বিভক্তিৰ দ্বিবচনত

(c) Conjugate ***any three*** of the following : 1×3=3
তলৰ যি কোনো তিনিটাৰ ধাতুৰূপ লিখা :

(i) √अद् + लोट् तु

(ii) √हन् + लट् अन्ति

(iii) √दा + लृट् स्यति

(iv) √कृ + लङ् द

(v) √नृत् + लट् सि

★★★



www.bellalhossainmondal.com